بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**তেহেৰিক জাদিদৰ ৯০ বছৰৰ ভিতৰত জামাতৰ সদস্যবৃন্দ সকলৰ ফালৰ পৰা উত্থাপন কৰা আৰ্থিক কোৰবাণী সন্দৰ্ভত বৰ্ণনা আৰু ৯১ বছৰৰ আৰম্ভণীৰ ঘোষণা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৮ নৱেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُولُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা বাকাৰাৰ ২৭৫ নং আয়াত পাঠ কৰে যাৰ অনুবাদ এয়া, সেইসকল লোক যিসকলে দিনে নিশাই বাহ্যিক আৰু গুপ্ত ভাৱে নিজৰ ধন-সম্পদ খৰচ কৰে সিহঁতৰ প্ৰতিদান সিহঁতৰ প্ৰভুৰ ওচৰত; সিহঁতৰ কোনো ভয় নাই আৰু দুখও নাই। আকৌ কৈছে আল্লাহ তা'লাৰ কৃপাত জামাত আহমদীয়াই নিজকে অধিক পৰিমাণে এই নিৰ্দেশ অনুসৰি আৰ্থিক কোৰবাণী কৰিবলৈ অগ্ৰগতি লাভ কৰে। জামাতত বিভিন্ন ধৰণৰ চান্দা আছে। লাজমি চান্দা, চান্দা আমা, চান্দা অচিয়ত, তেহেৰিকে জাদিদ, ওৱাকফে জাদিদ ইত্যাদি। সকলো ঠাইতে যতেই প্ৰয়োজন হয় জামাত আহমদীয়াৰ সদস্য সকলে অধিক পৰিমাণে বিশুদ্ধতা আৰু নিষ্ঠাৰ সৈতে আৰ্থিক কোৰবাণীত অংশ গ্ৰহণ কৰে। বাহ্যিক ৰূপে আৰু গুপ্ত ভাৱেও কোৰবাণী কৰি থাকে, সেই ভীতিৰ সৈতে যে সিহঁতৰ মাজত কেতিয়াবা আৰ্থিক সংকট আহিব পাৰে।

জামাত আহমদীয়াৰ অধিক সংখ্যক লোকৰ উপাৰ্জন কম আৰু মধ্যম শ্ৰেণীৰ; তথাপি অসাধাৰণ কোৰবাণী দিয়া লোক আছে আৰু কেতিয়াও এই কথা প্ৰকাশ নকৰে যে জামাতে ইমান তেহেৰিক আৰম্ভ কৰিছে আৰু আমাৰ আমদানি সীমিত, গতিকে ক'ৰ পৰা দিম, বৰঞ্চ আন্তৰিকতা আৰু উৎসাৰ সৈতে কোৰবাণী উত্থাপন কৰে। মই জানিব পাৰিছো যে কিছুমান লোক এনেদৰে কোৰবাণী কৰে অৰ্থাৎ এইটো কোৱা উচিত যে নিজৰ পেট কাটি চান্দা দিয়ে, নিজৰ আহাৰ কম কৰি চান্দা দিয়ে, নিজৰ ল'ৰা-ছোৱালীৰ

খৰচ কম কৰি কোৰবাণী কৰে। সিহঁতৰ মাজত সেই ধাৰণাও নজন্মে বা এইটো প্ৰকাশ নকৰে যে আমি এই কোৰবাণী কৰিছোঁ আৰু আমাৰ ওপৰত কিয় ইমান বোজা অৰ্পন কৰি আছে ? আমাৰও অমুক কামৰ বাবে প্ৰয়োজন হৈছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে যেতিয়া তেহেৰিকে জাদিদৰ তেহেৰিক জাৰি কৰে তেতিয়া তেখেত (ৰাঃ)য়ে সহজ সৰল জীৱন অতিবাহিত কৰাটো বিচাৰিছিল আৰু তেখেত (ৰাঃ)য়ে কৈছিল যে সহজ সৰল জীৱন অতিবাহিত কৰি নিজৰ টকা সংগ্ৰহ কৰি সেই অনুসৰি খৰচ কৰিব। ইয়াৰ ফলত কিছুমান লোক সকল এনেকুৱা যে যিসকলে সহজ সৰল জীৱিন অতিবাহিত কৰে আৰু বিশাল আকাৰৰ ধন ৰাশি উত্থাপন কৰে। সিহঁতৰ অৱস্থা চাই এনেকুৱা লাগে যে সিহঁতে ইমান বিশাল আকাৰৰ ধন ৰাশি আদায় কৰিব নোৱাৰিব, কিন্তু হাজাৰ ডলাৰ বা হাজাৰ পাউণ্ড বা হাজাৰ ইউৰো কোৰবাণী উত্থাপন কৰি থাকে। এই জড় জগতত সেই দেশবোৰত বসবাস কৰি ইমান বিশাল আকাৰৰ ধন কোৰবাণী কৰা বহু ডাঙৰ কথা। যিবোৰ দৰিদ্ৰ দেশ, পাকিস্তান, হিন্দুস্থান বা আফ্ৰিকা দেশ তাতে আহমদী সকলৰ উপাৰ্জন বহু কম, বৰ সংকটৰ মাজেৰে জীৱন অতিবাহিত কৰে, তথাপি কোৰবাণী কৰি আছে, আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰাৰ বাবে বাহ্যিক ৰূপে আৰু গুপ্ত ভাৱে খৰচ কৰি থাকে। এইসকল লোকেই হৈছে প্ৰকৃত মোমিন, ইহঁতে আল্লাহ তা'লাৰ সন্তুষ্টি বিচাৰে। কিছুমান লোক এনেকুৱা যেতিয়াই কোনো তেহেৰিক কৰা হয় বা যেতিয়া তেহেৰিক জাদিদ বা ওৱাকফে জাদিদৰ ঘোষণা হয় তেতিয়া ঋণ কৰিও হলেও চান্দাৰ ধন ৰাশি আদায় কৰে। কিন্তু ঋণ লৈ চান্দা আদায় কৰা জৰুৰী নহয়। সিহঁতৰ কোনো ভয় নাই কাৰণ সিহঁতে আল্লাহ তা'লাৰ বাটত খৰচ কৰি আছে, আল্লাহ তা'লা নিজেই সেয়া পূৰণ কৰিব।

গতিকে জামাত আহমদীয়াক খোদা তা'লাই বহু ডাঙৰ ডাঙৰ কোৰবাণী কৰোঁতা দান কৰিছে, অইন সকলৰ নিচিনা নহয় যে পাঁচ টকা, দহ টকা দি শতাধিক বাৰ মছজিদত ঘোষণা কৰি থাকে, এনেকুৱা বহু ঘটনা মোৰ সন্মুখত আছে য'ত মানুহে অধিক আগ্ৰহৰে কোৰবাণী কৰাৰ বাবে নিজকে উত্থাপন কৰে, ইয়াৰ মাজত আফ্ৰিকা দেশ, ইউৰোপ দেশ আৰু এছিয়া দেশও অন্তৰ্ভুক্ত। দৰিদ্ৰ শ্ৰেণীৰ লোক সকলে বিশাল আকাৰে কোৰবাণী কৰি চান্দা দিয়ে। ধন ৰাশিৰ আৰ্থিক কোৰবাণী বাহ্যিক হিচাপে যদিও সৰু কিন্তু ওজন হিচাপে আল্লাহ তা'লাৰ দৃষ্টিত বিশাল কোৰবাণী। দূৰ-দূৰান্ত দেশৰ বসবাসকাৰী দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ কোৰবাণীও আছে যে আৰ্থিক কোৰবাণী কৰোঁতা সকলৰ সৈতে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰা সত্বেও আল্লাহ তা'লাই সিহঁতক প্ৰত্যেক ধৰণৰ ভীতি দূৰ কৰে আৰু সিহঁতৰ প্ৰয়োজনীয়তা পূৰণ কৰে।

উদাহৰণস্বৰূপ জাৰ্মান জামাতৰ ৰোডগাঁৱৰ সভাপতি চাহাবে কৈছে যে কিছুমান জীৱন বিসৰ্জন দিওঁতা ল'ৰা-ছোৱালীয়ে এমাহৰ এলাউন্স জামাতক দিয়াৰ বাবে ঘোষণা কৰিছে, সিহঁতে আন আন জামাতৰ সদস্য সকলকও এনে কোৰবাণীৰ কৰাৰ প্ৰতি আগ্ৰহী জন্মাইছে। এজন সদস্যই এই তেহেৰিকত বিশাল আকাৰৰ ধন ৰাশি চান্দা দিয়ে আৰু আগন্ত বছৰৰ বাবে নিজৰ অঙ্গীকাৰ দ্বিগুণ বৃদ্ধি কৰে। এই কোৰবাণীৰ উৎকৰ্ষতাই সিহঁতৰ জীৱনত সৰলতা আৰু পৰ্যাপ্ত খৰচ কৰাৰ ৰূপ ধাৰণ কৰিছে, অৰ্থাৎ সাধাৰণ সাজ-পোছাক আৰু সাধাৰণ জীৱন অতিবাহিত কৰে। বৃত্তীয় সম্পাদকে কৈছে যে তেওঁৰ বাহ্যিক অৱস্থাৰ পৰা ধাৰণা হোৱা নাছিল যে ইমান বিশাল আকাৰে কোৰবাণী কৰি আছে।

হুজুৰ কৈছে যে মোৰ এটা পুৰণি ঘটনা মনত পৰিছে যে কৰাচীত আমাৰ এজন নিষ্ঠাবান বন্ধু শেষ মাজিদ চাহাব আছিল। তেওঁ বিশাল আকাৰৰ ধন ৰাশি কোৰবাণী কৰি থাকিছিল। নিজৰ ঘৰৰ খৰচ ৰাখি বাকী ধন বিভিন্ন তেহেৰিকত বৰ উৎকৰ্যতাৰ সৈতে অংশ গ্ৰহণ কৰিছিল। তেওঁ এয়া কৈছিল যে মই যি বেপাৰ বাণিজ্য কৰো সেয়া জামাতৰ স্বাৰ্থত কৰো।

কাদিয়ানৰ উকিলুল মালে কেৰালাৰ এজন ব্যক্তিৰ কথা উল্লেখ কৰি কয় যে সেই ব্যক্তিজনৰ অৱস্থা বৰ সংকটজনক আছিল, তেওঁ কোনো কাম পোৱা নাছিল, শেষত মই ভাৱিলো যে আন কিবা কাম নাপালেও এতিয়া কাপোৰৰ কাম আৰম্ভ কৰো আৰু আলিবাটত এখন মেজ লগাই কাম আৰম্ভ কৰি দিলে আৰু নিয়মিত ভাৱে চান্দা দি থাকিল। তেওঁ যি উপাৰ্জন কৰি আছিল আল্লাহ তা'লাই তাতে কল্যাণ বৰ্ষিত কৰিলে, তেওঁ কয় যে এতিয়া মই বিশাল আকাৰৰ ধন ৰাশি চান্দা দিওঁ। বেপাৰ বাণিজ্য দুই তিনি বছৰতেই বিস্তৃত হ'ল। তেওঁ কয় যে আল্লাহ তা'লাৰ কৃপাত মই যি ধন ৰাশি চান্দা হিচাপে নিয়মিত ভাৱে আগবঢ়াইছো তাৰ ফলাফল এয়া ওলাল যে মোৰ বেপাৰ-বাণিজ্যত কল্যাণ বৰ্ষিত হ'ল। আন আন লোকসকলৰ জীৱিকাৰ অৱস্থা বিকৃত হৈ আছিল সিহঁতৰ অৱস্থা অনুসৰি, কিন্তু মোৰ উপাৰ্জন বৃদ্ধি হৈয়ে আছিল। এতিয়া তেওঁৰ ডাঙৰ ডাঙৰ দোকান হৈ গৈছে। আলিবাটত এখন মেজত বেপাৰ আৰম্ভ কৰিছিল এতিয়া দোকান আদি হৈ গৈছে আৰু বিশাল আকাৰৰ শ্বোৰমও হৈ গৈছে, আল্লাহ তা'লাৰ কৃপাত এতিয়া লাখ টকা চান্দা আদায় কৰে। এই বছৰ তেওঁ তেহেৰিক জাদিদৰ দহ লাখ টকা চান্দা আদায় কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে কেৱল কথা ইমানেই নহয় যে দৰিদ্ৰ দেশ সমূহৰ। যিসকল ঈমানত শক্তিশালী সিহঁতে সকলো ঠাইতে এই দৃশ্য দেখা পায়, যিসকল পুণ্যৰ সৈতে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে কোৰবাণী কৰিব বিচাৰে আৰু কৰিও থাকে, সিহঁতে দৃশ্যবোৰ চাই থাকে। আল্লাহ তা'লাই সিহঁতক এই দৃশ্য প্ৰদৰ্শন কৰি সিহঁত ধনী দেশৰেও হওঁক বা দৰিদ্ৰ দেশৰ বসবাসকাৰীয়েই হওঁক, সিহঁতৰ ধৰ্মক শক্তিশালী কৰাৰ সামগ্ৰী সৃষ্টি কৰি দিয়ে, সিহঁতৰ ঈমান শক্তিশালী কৰে; এই ধৰণৰ অসংখ্য ঘটনাৱলী আছে যিবোৰ আল্লাহ তা'লাৰ প্ৰতি ঈমান শক্তিশালী কৰাৰ বাবে প্ৰদৰ্শন কৰি থাকে, সেই দৃশ্য চাই অইন সকলেও জানিব পাৰে যে তেতিয়া সিহঁতৰ মাজতও কোৰবাণী কৰাৰ আত্মা সৃষ্টি হয়।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে যোৱা বছৰৰ তথ্যৰ কথা উল্লেখ কৰি তেহেৰিকে জাদিদৰ নতুন বছৰৰ ঘোষণা কৰে। হুজুৰ তেহেৰিকে জাদিদৰ ৯০ বছৰৰ পৰিসংখ্যা বৰ্ণনা কৰি কয় যে আল্লাহ তা'লাৰ কৃপাত জামাতে ১৭.৯৮ মিলিয়ন পাউণ্ট কোৰবাণী কৰাৰ সৌভাগ্য লাভ কৰিছে। আলহামদুলিল্লাহ-যি যোৱা বছৰৰ তুলনাত ৭৭৯০০০ পাউণ্ট বৃদ্ধি পাইছে। সামগ্ৰিক চান্দা সংগ্ৰহ হিচাপে প্ৰথম দহটা জামাতৰ নাম ঃ জাৰ্মান, বৰতানিয়া, আমেৰিকা, কেনেডা, মিডল ইষ্টৰ এটা জামাত, ভাৰত, আষ্ট্ৰেলিয়া, ইণ্ডোনেচীয়া, মিডিল ইষ্টৰ এটা জামাত ঘানা।

চান্দা আদায় দিয়াৰ ক্ষেত্ৰত স্থানঃ আমেৰিকা, চুইজাৰলেণ্ড, বৰতানিয়া, কেনেডা, অষ্ট্ৰেলিয়া।

কিছুমান উল্লেখযোগ্য জামাত সমূহৰ নামঃ বাংলাদেশ, নাইজেৰিয়া, অষ্ট্ৰিয়া, ফ্ৰান্স, চুইজাৰলেণ্ড, মিডল ইষ্টৰ এটা জামাত। হুজুৰ আনোৱাৰ (আইঃ)য়ে বাংলাদেশৰ জামাতৰ বাবে দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰে।

তেহেৰিকে জাদিদত অংশ গ্ৰহণ কৰাৰ মুঠ সংখ্যা ১৬৮১০০০।

সামগ্ৰিক হিচাপে কোৰবাণী কৰোঁতাৰ সংখ্যা যোৱা বছৰৰ তুলনাত ৫০০০০ টকা বৃদ্ধি পাইছে। বৃদ্ধি কৰা দেশ ঃ নাইজেৰিয়া, কাংগো,ব্ৰাজিল, নাইজিৰ, কেম্বিয়া, কাংগো কিনাশ্বাছা, কেমৰুন, গিনিকিনাৰি, গিনিবছাও,ইউগেণ্ডা, ছেৰালিউন।

ভাৰতৰ দহটা ৰাজ্যঃ কেৰালা, তামিলনাডু, তেলেঙ্গানা, উৰিষ্যা, কৰ্ণাটক, জম্মু-কাশ্মিৰ, পঞ্জাৱ, বেঙ্গল, মহাৰাষ্ট্ৰ আৰু দিল্লী। ভাৰতৰ দহটা জামাত ঃহায়দৰাবাদ, কাদিয়ান, কালিকট, কোয়িবাটোৰ, মেন্জেৰি,মেলাপালম, বাঙ্গালুৰু, কলিকতা, কেৰেঙ্গ আৰু কেৰুলাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ নিৰ্দেশাৱলী উত্থাপন কৰাৰ পিছত কয় যে আল্লাহ তা'লা কৰক আমি যেন হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰত্যাশা অনুসৰি কোৰবাণী কৰাৰ সামৰ্থ্য শক্তি লাভ কৰিব পাৰো; লগতে আৰ্থিক কোৰবাণী আৰু আধ্যাত্মিক অৱস্থাক উন্নত কৰিব পাৰো আৰু আল্লাহ তা'লাৰ সৈতে সম্পৰ্ক বৃদ্ধি কৰিব পাৰো। কেৱল আৰ্থিক কোৰবাণীতেই নহয় বৰং সকলো অৱস্থাতেই আমি নিজৰ সেই আদৰ্শ স্থাপন কৰিব পাৰো যিটো এজন প্ৰকৃত মুছলমানৰ আদৰ্শ। যেতিয়া এনেকুৱা হ'ব তেতিয়া আমি আল্লাহ তা'লাৰ কৃপাৰ দৃশ্য দেখিবলৈ পাম আৰু শত্ৰুসকলক অসফল আৰু উদ্দেশ্যত বিফল হোৱা দেখিবলৈ পাম। আল্লাহ তা'লা সেই দিন অতি সোনকালে লৈ আহক যাতে আমি সেইদিন দেখা পাওঁ। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে সেইসকল লোক যিসকলে আৰ্থিক কোৰবাণী কৰিছে আল্লাহ তা'লা সিহঁতক প্ৰতিদান দিয়ক, সিহঁতৰ ধন-সম্পদ আৰু প্ৰাণত কল্যাণ বৰ্ষিত কৰক, আৰু ভৱিষ্যতত উত্তম ৰূপে নিজৰ জীৱন অতিবাহিত কৰাৰ সামৰ্থ্য শক্তি দান কৰক, নিজৰ সন্তান-সন্ততি আৰু নিজৰ প্ৰজন্মৰ দ্বাৰা নয়নৰ শান্তি বনাই দিয়ক, আৰু নিজেও আল্লাহ তা'লাৰ নৈকট্যপ্ৰাপ্ত হওঁক, আল্লাহ কৰক এনেকুৱাই যেন হয়। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَاللّٰه رحمكم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 8 NOV 2024**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB